# Foreign Secretary to Travel To Beijing and Moscow (Assamese Translation)

## বিদেশ সচিবে বেইজিঙ আৰু মস্কো ভ্ৰমণ কৰিব ।

এপ্ৰিল ১১,২০১৪

বিদেশ সচিব শ্ৰীমতী সুজাতা সিঙে অহা ১৩ এপ্ৰিল ২০১৪ ৰ পৰা ১৭ এপ্ৰিল ২০১৪ লৈ বেইজিঙ আৰু মস্কো ভ্ৰমন কৰিবলৈ যাব ।

এপ্ৰিলৰ ১৩,২০১৪ তাৰিখৰ পৰা ১৪,২০১৪ তাৰিখলৈ অনুষ্ঠিত ষষ্ঠ লানি ভাৰত-চীন কৌশলগত বৈঠকত বিদেশ সচিব গৰাকীয়ে বেইজিঙত তেওঁৰ সম পদাধিকাৰী উপ বিদেশ মন্ত্ৰী লিও ঝেনমিনৰ সৈতে সভাপতিত্ব কৰিব ।দুয়ো পক্ষই দুয়োদেশৰ মাজৰ সমগ্ৰ দ্বিপাক্ষীক সম্পৰ্কৰ সম্বন্ধে আলোচনা কৰিব । তাৰোপৰি দুয়োপক্ষই ভাৰত-চীনৰ বন্ধুত্ব বিনিময় বৰ্ষত ,বছৰটোৰ দ্বিতীয় ভাগত দুয়োপক্ষৰ নেতৃত্ব স্তৰৰ ব্যক্তিৰ ভ্ৰমনৰ পৰিকল্পনা সম্বন্ধে বৈঠকত আলোচনা কৰিব ।তেওঁ চীনৰ বিদেশ মন্ত্ৰী ৱয়েঙ য়িক সাক্ষ্যাৎ কৰিব ।

মস্কোত এপ্ৰিলৰ ১৬ তাৰিখৰ পৰা এপ্ৰিলৰ ১৭ তাৰিখ ২০১৪ লৈ তেওঁ বাৰ্ষিক বিদেশ কাৰ্য্যলয়ৰ উপদেষ্টামুলক বৈঠক খন তেওঁৰ সমপদধিকাৰী ৰাছীয়াৰ প্ৰথম গৰাকী উপ বিদেশ মন্ত্ৰী ভ্লাডিমিৰ টিট’ভ আৰু উপ বিদেশ মন্ত্ৰী ইগোৰ মোৰগোল’ভৰ সৈতে পৰিচালনা কৰিব ।দুয়োপক্ষই চলিত সহযোগিতা আৰু দুয়োপক্ষই উচ্চস্তৰীয় দ্বিপাক্ষীক বিনিময়ৰ কেলেন্ডাৰৰ পৰ্য্যালোচনা কৰি চলিত বৰ্ষৰ শেষৰ পৰ্যায়ত অনুষ্ঠিত হব লগীয়া বাৰ্ষিক সন্মিলনৰ বাবে তাৰিখ আৰু সময় প্ৰস্তুত কৰাৰ সম্বন্ধে আলোচনা কৰিব ।

এই ভ্ৰমণ কালত ,বিদেশ সচিব গৰাকীয়ে চীন আৰু ৰাছীয়াৰ সৈতে দ্বিপাক্ষীক সম্বন্ধ সদায়েই আগোৱাই নিয়া হব বুলি নিশ্চিত কৰে ।

নতুন দিল্লী

এপ্রিল ১১,২০১৪